আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, JANUARY 9, 2024>> 10 PM
www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১৫
Guwahati, Assam ।। মূল্যঃ এটকা




## উন্নয়নৰ উদাহৰণ!

# ঠেলা এম্বুলেঞ্চ

মুখ্যমন্ত্ৰী, মন্ত্ৰী, বিজেপিৰ বিধায়কসকলে ৰাজ্যত ব্যাপক উন্নয়ন হোৱা বুলি কৰি অহা দাবীৰ বিপৰীতে লখিমপুৰত দেখা গৈছে এনে দৃশ্য।

বিতং বাতৰি ৪নং পৃষ্ঠাত

## স্বামীৰ প্ৰতি ঘৃণাৰ বাবেই সন্তানক হত্যা চিইঅ'ৰ




বাংগালুৰুৰ এটা এআই কোম্পানীৰ চিইঅ' সূচনা সেঠৰ কাগুক লৈ সৰ্বত্ৰে চাঞ্চল্য।

বিতং বাতৰি ৩নং পৃষ্ঠাত

# যোগীৰ ৰাজ্যত কৃষকৰ আত্মজাহ

## বন বিভাগে দখল কৰিছিল খেতিৰ মাটি





মহকুমাধিপতিৰ সমুখতে গাত ঢালিছিল পেট্ৰ'ল। ৩ দিনৰ চিকিৎসাৰ অন্তত মৃত্যুক সাবতিলে কৃষকজনে।

পিতৃৰ মৃত্যুৰ পিছত মোবাইল টাৱাৰত উঠি পুত্ৰৰ আত্মহত্যাৰ চেষ্টা। চৰকাৰে দিয়া ২ লাখ ক্ষতিপূৰণ ল'বলৈ অস্বীকাৰ।

বিতং বাতৰি ৫নং পৃষ্ঠাত

### ন্যায়ালয়লৈ যোৱাৰ সিদ্ধান্ত ছাত্ৰ মুক্তিৰ

# আকৌ অইলৰ মিথ্যাচাৰ!

কাৰিকৰী পদৰ পৰীক্ষাত ব্যাপক খেলিমেলি আৰু বিসংগতি ধৰা পেলাইছিল ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু গোৰ্খা ছাত্ৰ সন্থাই। এডুটেষ্ট নামৰ এটা গুজৰাটী প্ৰতিষ্ঠানক বক্ৰ পথেৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব দিছিল অইলে।

বিতং বাতৰি ২নং পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ অইলৰ মিথ্যাচাৰ! ন্যায়ালয়লৈ যোৱাৰ সিদ্ধান্ত ছাত্ৰ মুক্তিৰ

**ই-সংবাদ, দুলীয়াজান, ৯ জানুৱাৰীঃ** অইলৰ কাণ্ডই আকৌ সকলোকে হতবাক আৰু ক্ষুব্ধ কৰি তুলিছে। এফালে ভুল প্ৰশ্ন আৰু ভুল উত্তৰ আনফালে দল-সংগঠনৰ তদন্তৰ দাবীত আন্দোলন। ইয়াৰ মাজতেই যোৱানিশা প্ৰায় ৯ বজাত অইল ইণ্ডিয়াৰ শেহতীয়া বহুবিতৰ্কিত ১৮৭ টা কাৰিকৰী পদৰ নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰাত সম্প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য বিগত বৰ্ষৰ ১১ অক্টোবৰৰ পৰা চাৰিদিনকৈ অনুষ্ঠিত হোৱা কাৰিকৰী পদৰ পৰীক্ষাত ব্যাপক খেলিমেলি আৰু বিসংগতি ধৰা পেলাইছিল ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু গোৰ্খা ছাত্ৰ সন্থাই। এডুটেষ্ট নামৰ এটা গুজৰাটী প্ৰতিষ্ঠানক বক্ৰ পথেৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব প্ৰদান কৰা, অইল ইণ্ডিয়াৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড০ ৰঞ্জিত ৰথৰ গাড়ীচালকৰ কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত কৰা, উক্ত পৰীক্ষা কেন্দ্ৰটোৰপৰা হোৱাটছএপযোগে প্ৰশ্নকাকত ভাইৰেল হোৱা, ভুল প্ৰশ্ন আৰু ভুল উত্তৰেৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ অভিযোগ আনিছিল সংগঠন দুটাই। পৰীক্ষাৰ অন্তত অইল ইণ্ডিয়া লিমিটেডে যোৱা ৯ অক্টোবৰত অনুষ্ঠিত কৰা পৰীক্ষাৰ প্ৰশ্নোত্তৰৰ শুদ্ধতা প্ৰাৰ্থীয়ে নিজে চাব পৰাকৈ কিছুদিন পিছতে মুকলি কৰি দিছিল। তাতেই প্ৰশ্নৰ লগতে উত্তৰৰ বিসংগতি ধৰা পৰে। উদাহৰণস্বৰূপে টিলিঙা মন্দিৰ অসমৰ কোনখন 'ৰাজ্য'ত অৱস্থিত বুলি কৰা হৈছিল। শুদ্ধ প্ৰশ্ন হ'ব লাগিছিল টিলিঙা মন্দিৰ অসমৰ কোনখন 'জিলা'ত অৱস্থিত? আনহাতে, উত্তৰ হিচা চাৰিটাৰ বিকল্পৰ এটা বাচনি কৰিবলৈ দিয়া হৈছিল আৰু বিকল্পকেইটা আছিল মাজুলি, যোৰহাট, শোণিতপুৰ আৰু তিনিচুকীয়া। অইল অধ্যুষিত অঞ্চলৰ ছাত্ৰ-ছাত্ৰী হিচাপে অতি সহজ এই প্ৰশ্নটোৰ উত্তৰ তিনিচুকীয়া জিলা যদিও প্ৰশ্ন কাকত প্ৰস্তুত কৰা প্ৰতিষ্ঠানটোৱে উত্তৰটো শোণিতপুৰ জিলা বুলি নিশ্চিত কৰি দিছে। এনে ধৰণৰ বহুকেইটা প্ৰশ্ন আৰু উত্তৰৰ লগতে তিনিচুকীয়াস্থিত অইল ইণ্ডিয়াৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ডও ৰঞ্জিত ৰথৰ গাড়ীচালকৰ তথা অইল কৰ্মচাৰী ভৰেন বৰুৱাৰ উক্ত পৰীক্ষা কেন্দ্ৰটোৰ পৰা প্ৰাৰ্থীয়ে হোৱাটছএপ যোগে প্ৰশ্ন প্ৰেৰণ কৰা সংগঠন দুটাই ধৰা পেলোৱাৰ পিছতে এটাৰ পিছত এটাকৈ বিসংগতি ধৰা পৰে। এই বিসংগতিসমূহৰ উচ্চপৰ্যায়ৰ তদন্ত আৰু তদন্ত সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ফলাফল স্থগিত ৰখাৰ দাবীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু গোৰ্খা ছাত্ৰ সন্থাই কেইবাটাও আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। কিন্তু সংগঠন দুটাৰ প্ৰতিবাদ আৰু দাবীক বুঢ়া আঙুলি দেখুৱাই অইল ইণ্ডিয়াই যোৱানিশা ফলাফল ঘোষণা কৰে। ইফালে, ফলাফল ঘোষণা কৰিয়েই আজি ততাতৈয়াকৈ অইল ইণ্ডিয়াৰ মুখপাত্ৰ ভৈৰৱ ভুঞাই এখন সংবাদমেলৰ আয়োজন কৰি এই নিযুক্তি প্ৰক্ৰিয়া অতি স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন হোৱা বুলি দাবী কৰে। কিন্তু উপস্থিত সাংবাদিকে উক্ত সংগঠনকেইটাৰ দাবীসমূহৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰাত তেওঁ চূড়ান্ত মিথ্যাচাৰৰ আশ্ৰয় ল'বলগীয়া হয়। হোৱাটছএপৰ জৰিয়তে প্ৰশ্ন ভাইৰেল হোৱাৰ কথা স্বীকাৰ কৰি তেওঁ কয় যে এই সন্দৰ্ভত আৰক্ষীক গোচৰ দিয়া হৈছে আৰু ইয়াৰ তদন্ত চলি আছে। সাংবাদিকে উক্ত গোচৰৰ নম্বৰ বিচৰাত বিব্ৰত হৈ পৰে মুখপাত্ৰজন আৰু পৰৱৰ্তী সময়ত গোচৰৰ নম্বৰ দিয়া হ'ব বুলি প্ৰকাশ কৰে যদিও গোচৰৰ নম্বৰ দিয়াৰ পৰিৱৰ্তে এখন এজাহাৰৰ নম্বৰ প্ৰদান কৰি সাংবাদিকক মূৰ্খ সজাবলৈ চেষ্টা কৰে। পৰৱৰ্তী সময়ত অনুসন্ধান কৰি জানিব পৰা মতে, অইল ইণ্ডিয়াই ২৭ অক্টোবৰত এখন এজাহাৰ দুলীয়াজান থানাত দাখিল কৰিছিল। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, গোচৰ ৰুজু কৰিব পৰাকৈ এজাহাৰখনত কোনো এটা দিশ আঙুলিয়াই দিয়া হোৱা নাই। যাৰ কাৰণে গোচৰ ৰুজু কৰিব পৰা নগ'ল। আনহাতে, অইলৰ মুখপাত্ৰজনে তদন্ত চলি আছে বুলি কৰা মন্তব্যৰ আঁতধৰি সাংবাদিকে প্ৰশ্ন কৰে যে তদন্ত চলি থকাৰ মাজত কেনেকৈ ফলাফল ঘোষণা কৰা হ'ল ? এই প্ৰশ্নত চৰম অস্বস্তিৰ সন্মুখীন হৈ মুখপাত্ৰ ভৈৰৱ ভুঞাই কয়, 'বিশেষ কোনো খেলিমেলি নহয় বুলি আমাৰ বিশ্বাস আছে।' অৰ্থাৎ কেৱল বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই হাজাৰ হাজাৰ নিবনুৱাৰ আশাত কুঠাৰাঘাট কৰি কেৱল অইল ইণ্ডিয়া দুজনমান বিষয়াৰ বিশ্বাসৰ ভিত্তিতেই বহুচৰ্চিত এটা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ল। আনহাতে, কেৱল এটা প্ৰতিষ্ঠানে নিবিদাত অংশগ্ৰহণ কৰিলে সেই নিবিদাৰ তাৰিখ দুই-তিনিবাৰ সম্প্ৰসাৰণ কৰা হয় আৰু পৰৱৰ্তী পৰ্যায়ত আন প্ৰতিষ্ঠানে নিবিদাত অংশ নল'লে সেই একমাত্ৰ প্ৰতিষ্ঠানটোকে দায়িত্ব প্ৰদান কৰাটো বৈধ বুলি সংবাদমেলখনত তৈল প্ৰতিষ্ঠানটোৰ মুখপাত্ৰজনে জানিবলৈ দিয়ে। এডুটেষ্ট নামৰ গুজৰাটী প্ৰতিষ্ঠানটোৱে এই বৈধতাৰ ভিত্তিতেই পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব লাভ কৰা বুলি তেওঁ উল্লেখ কৰে যদিও নিবিদাৰ সম্প্ৰসাৰণৰ তথ্য-পাতি সাংবাদিকে চাবলৈ বিচৰাত এতিয়া লগত নাই অনা বুলি দায়সৰা মন্তব্য কৰে। ইফালে, এই সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়াটোৰ তদন্তৰ দাবীত যোৱা ৫ জানুৱাৰীৰপৰা অইল ইণ্ডিয়াৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত আমৰণ অনশন কৰি থকা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে আজি বিয়লি অনশন ভংগ কৰে। বিয়লি প্ৰায় ৩ বজাত অইল ইণ্ডিয়াৰ জন পৰিক্ৰমা বিভাগৰ প্ৰতিনিধি অনশনস্থলীত উপস্থিত হৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সদস্যসকলক সাক্ষাৎ কৰে আৰু অহা ১৮ জানুৱাৰীত এখন উচ্চ পৰ্যায়ৰ আলোচনাৰ প্ৰস্তাৱ দিয়ে। এই প্ৰস্তাৱ গ্ৰহণ কৰিলেও অনশনকাৰীসকলৰ হৈ সংগঠনটোৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি মাধুৰ্য বৰুৱাই স্পষ্ট কৰি দিয়ে যে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিব পৰা বিষয়াৰ লগতহে তেওঁলোক আলোচনাত বহিব। পূৰ্বে যিসকল বিষয়াৰ লগত আলোচনা হৈছিল তেওঁলোকে সংগঠনটোৰ এটাও প্ৰশ্নৰে উত্তৰ প্ৰদান কৰিব পৰা নাছিল। গতিকে সেইসকল বিষয়াৰ লগত তেওঁলোকে পুনৰ আলোচনাত নবহে। অইলৰ তৰফৰ পৰা ছাত্ৰ মুক্তিৰ এইৰ প্ৰস্তাৱ মানি লোৱাত তেওঁলোকে ৫ দিনীয়া এই অনশন কাৰ্যসূচীৰ সামৰণি মাৰে। দুলীয়াজানৰ জ্যেষ্ঠ সাংবাদিক পবিত্ৰ বৰঠাকুৰে অনশনকাৰীসকলক ফলৰ ৰস খুৱাই অনশন ভংগ কৰায়। পিছত সাংবাদিকৰ আগত ছাত্ৰনেতা মাধুৰ্য বৰুৱাই কয় যে এই অনশন সাময়িকভাৱেহে স্থগিত ৰখা হৈছে। ফলাফল ঘোষণাৰ সন্দৰ্ভত আমি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ম। কোনোপধ্যেই এনেধৰণৰ বিসংগতিপূৰ্ণ নিযুক্তিৰ ফলাফল আমি মানি নলওঁ। ১৮ জানুৱাৰীৰ আলোচনা বিফল হ'লে পুনৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও ছাত্ৰ নেতাগৰাকীয়ে স্পষ্ট কৰি দিয়ে।

# ৪ বছৰীয়া পুত্ৰক হত্যা কৰি পলাবলৈ লওঁতেই গ্ৰেপ্তাৰ মহিলা

## ■ গোৱাৰ হোটেলত চাঞ্চল্যকৰ ঘটনা

## ■ হোটেলৰ কৰ্মচাৰীৰ তৎপৰতাত সমগ্ৰ ঘটনা আহিল পোহৰলৈ

## ■ কৰ্ণাটকত গ্ৰেপ্তাৰ পাষাণ মাতৃ সূচনা



## হত্যাৰ পূৰ্বে শেষবাৰৰ বাবে ইনষ্টাগ্ৰামত সূচনাই শ্বেয়াৰ কৰিছিল একুৰিয়ামৰ সৈতে খেলি থকা সন্তানৰ ফটো

**পানাজী, ৯ জানুৱাৰীঃ** মমতাময়ী মাতৃৰ কাহিনীয়ে কুটিল পৃথিৱীতো শতিকা শতিকা ধৰি বলাই আহিছে শান্তিৰ বা। কিন্তু এই পৃথিৱীতে এনে মাতৃও আছে, যাৰ হাতত প্ৰাণ হেৰুৱাবলগীয়া হৈছে সন্তানে। তেনে এগৰাকী পাষাণ মাতৃৰ কাহিনীয়ে শেহতীয়াকৈ স্তম্ভিত কৰি তুলিছে সমগ্ৰ দেশবাসীক। নিজৰ পেটৰ সন্তানটোকে কচাইৰ দৰে হত্যা কৰি মাতৃত্ব মমতাক ভূলুণ্ঠিত কৰে সূচনা ছেঠ নামৰ এগৰাকী মহিলাই। গোৱাত সংঘটিত হৈছে এই ঘটনা। উল্লেখ্য যে, হত্যাকাৰী মাতৃগৰাকী বেংগালুৰুৰ এটা আৰ্টিফিচিয়েল ইনটেলিজেন্স ষ্টাৰ্ট আপ কোম্পানীৰ চিইঅ'। আৰক্ষীৰ সূত্ৰ অনুসৰি, স্বামীৰ প্ৰতি থকা ঘৃণাৰ বাবেই পুত্ৰক নিৰ্মমভাৱে হত্যা কৰি ছ্যুটকেছত মৃতদেহ ভৰাই গোৱা এৰিছিল সূচনা ছেঠে। জানিব পৰা মতে, স্বামীৰ সৈতে বিবাহ বিচ্ছেদৰ পিছত অনাকাংক্ষিতভাৱে পুত্ৰৰ দায়িত্ব লাভ কৰিছিল মহিলাগৰাকীয়ে। কিন্তু স্বামী আৰু পুত্ৰ দুয়োৰে সৈতে সম্পৰ্ক চিৰদিনৰ বাবে ছেদ কৰিবলৈ অৱশেষত ৪ বছৰীয়া পুত্ৰক হোটেলৰ কোঠাত নিৰ্মমভাৱে হত্যা কৰি মৃতদেহ ছ্যুটকেছত ভৰাই কৰ্ণাটকত উপস্থিত হয় পাষাণ মাতৃ। আৰক্ষীৰ মতে, মূলতঃ পশ্চিম বংগৰ নিৱাসী ৩৯ বৰ্ষীয় সূচনা ছেঠে নতুন বছৰৰ প্ৰথম সপ্তাহতে তেওঁৰ ৪ বছৰীয়া পুত্ৰক গোৱা ফুৰাবলৈ আনিছিল। ৬ জানুৱাৰীত মহিলাগৰাকীয়ে পুত্ৰৰ সৈতে উত্তৰ গোৱাৰ কেণ্ডোলিমৰ এখন হোটেলত বাহৰ পাতিছিল। ইয়াৰ পিছত ৮ জানুৱাৰী অৰ্থাৎ সোমবাৰে পুৱা হোটেলৰ পৰা চেক আউট কৰে সূচনা ছেঠে। কিন্তু হোটেলৰ পৰা ওলাই যোৱাৰ সময়ত মহিলাগৰাকীৰ লগত নাছিল তেওঁৰ সন্তানটো। হোটেলৰ কৰ্মচাৰীয়ে পুত্ৰ ক'ত বুলি সোধাত উত্তৰত অজুহাত দেখুৱায় মহিলাগৰাকীয়ে। কিন্তু মহিলগৰাকীৰ কথাত সন্দেহ ওপজে হোটেলৰ কৰ্মচাৰীৰ। অৱশেষে সেই সময়তে তেওঁক নিবলৈ বুকিং কৰা টেক্সিখন হোটেলৰ সন্মুখত উপস্থিত হোৱাত সূচনা ছেঠে তেওঁৰ প্ৰকাণ্ড ছ্যুটকেছটো টেক্সিত ভৰাই তাৰ পৰা গুচি যায়। কিন্তু মহিলাগৰাকীয়ে হোটেল এৰাৰ পিছত হোটেল কৰ্মচাৰীয়ে সন্দেহবশতঃ তেওঁ থকা কোঠাটোত প্ৰৱেশ কৰাত কোঠাৰ ভিতৰত তেজৰ দাগ প্ৰত্যক্ষ কৰে আৰু লগে লগে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে তথ্য লাভ কৰি সেই স্থানত উপস্থিত হৈ মহিলাগৰাকীয়ে যাত্ৰা কৰা টেক্সি চালকজনৰ নম্বৰ লয় আৰু তেওঁৰ সৈতে কথা পতাৰ অন্তত মহিলাগৰাকীক অৱগত নকৰাকৈয়ে টেক্সিখন ওচৰৰ আৰক্ষী থানালৈ লৈ যাবলৈ কয়। আনহাতে গোৱা আৰক্ষীৰ ফোনকল টেক্সি ড্ৰাইভাৰজনে লাভ কৰাৰ সময়লৈকে ইতিমধ্যে কৰ্ণাটকত প্ৰৱেশ কৰিছিল সূচনা ছেঠে। কিন্তু আৰক্ষীৰ ফোন লাভ কৰাৰ পিছতে লগে লগে তেওঁ গাড়ীখন ওচৰৰ থানা চিত্ৰদুৰ্গালৈ লৈ যায়। গোৱা আৰক্ষীৰ খবৰৰ ভিত্তিত কৰ্ণাটক আৰক্ষীয়ে অভিযুক্ত মহিলাগৰাকীক কৰায়ত্ত কৰে আৰু লগতে তেওঁৰ ছ্যুটকেছটো পৰীক্ষা কৰি পুত্ৰৰ মৃতদেহটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জনোৱা মতে, চিইঅ' সূচনা ছেঠে চোকা অস্ত্ৰৰে পুত্ৰক হত্যা কৰিছিল। আৰক্ষীয়ে অভিযুক্ত মহিলাগৰাকীক জিম্মাত লৈছে। এই ঘটনাক লৈ এতিয়া সমগ্ৰ দেশজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱা দেখা গৈছে।

# লখিমপুৰৰ ফুলবাৰীত ঠেলাই এতিয়া এম্বুলেঞ্চ!

## দলং নাই বাবে যাব নোৱাৰে গাড়ী



**ফুলবাৰী-ঢেকীয়াজুলি পথত ১০বছৰ ধৰি নাই দলং!**

**ই-সংবাদ, লখিমপুৰ, ৯ জানুৱাৰীঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী, মন্ত্ৰীসকল, বিজেপিৰ বিধায়কসকলে ৰাজ্যখনৰ ব্যাপক উন্নয়ন হোৱা বুলি দাবী কৰি আহিছে৷ ৰাস্তা-ঘাট, দলং, হাস্পতাল আদি খণ্ডৰ ব্যাপক উন্নয়ন হোৱা বুলি দাবী কৰি আহিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে৷ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ দাবী কৰি থকাৰ দৰে বাস্তৱত অসমৰ উন্নয়ন হৈছে নে? বিশেষকৈ ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ উন্নয়ন হৈছে নে? নতুনকৈ কেইবাখনো চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছে৷ লখিমপুৰ জিলাতো এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছে৷ বিভিন্ন সময়ত লখিমপুৰৰ বিধায়ক মানৱ ডেকা, লখিমপুৰৰ সংসদীয় সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই লখিমপুৰ জিলাৰ উন্নয়নৰ ঢাক-ঢোল বজাই আহিছে৷ লখিমপুৰ জিলাৰ বিভিন্ন আঁচনিৰ শুভাৰম্ভ কৰাৰ লগতে মুকলি কৰাৰ ফটো সামাজিক মাধ্যমত শ্বেয়াৰ কৰি ঢাক-ঢোল বজাই আহিছে৷ কিন্তু লখিমপুৰৰ উন্নয়নক লৈ কৰি অহা দাবীক এটা দৃশ্যই নস্যাৎ কৰিছে৷ লখিমুৰৰ উন্নয়ন যে ভাষণ আৰু ফটোতে হৈছে সেই কথাকে প্ৰমাণ কৰিছে এই দৃশ্যই৷ লখিমপুৰত আজিও ৰোগীক মানুহে ঠেলাত কঢ়িয়াবলগীয়া হয়৷ ৮ জানুৱাৰীৰ নিশা এগৰাকী লোকক পৰিয়ালে ঠেলাত হাস্পতাললৈ নিবলগীয়া হোৱাৰ দৃশ্যই লখিমপুৰক যে আজিও উন্নয়ন ঢুকি পোৱা নাই তাকে প্ৰমাণ কৰিছে৷ বিকশিত অসম আৰু দেশৰ শীৰ্ষ ৫ খন উন্নয়নকামী ৰাজ্যলৈ অসমত পৰ্যবসিত কৰিব খোজাৰ যি শ্ল'গান সেই শ্ল'গানক 'ঠেলা এম্বুলেন্সে' অট্টহাস্য কৰিছে৷ লখিমপুৰত ফুলবাৰীৰ ৰংপুৰীয়াৰ ৰাইজে আজিও ঠেলা অথবা সাঙীৰে ৰোগীক চিকিৎসালয়লৈ নিবলগীয়া হয়। বছৰ বছৰ ধৰি এখন দলঙৰ অভাৱত এনেদৰে জীয়াতু ভুগিছে ৰংপুৰীয়াৰ ৰাইজে৷ বিগত ৮টা বছৰে বিজেপিয়ে ৰংপুৰীয়াৰ ৰাইজৰ দাবীক গুৰুত্ব প্ৰদান নকৰিলে৷ নৈৰ বুকুত পাৰী থোৱা জইচৰে মৰণক-শৰণ কৰি বিপদসংকুল যাত্ৰা কৰে ৰংপুৰীয়াৰ ৰাইজে! কিন্তু কাণসাৰ নাই মানৱ ডেকা আৰু প্ৰদান বৰুৱাৰ দৰে জনপ্ৰতিনিধিৰ। লখিমপুৰ জিলাৰ ফুলবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰংপুৰীয়াত ৮ জানুৱাৰীৰ নিশা একাংশ লোকে এজন ৰোগীক ঠেলাৰে হাস্পতাললৈ নিবলগীয়া হয়৷ নিশা ঢেকীয়াজুলিৰ পৰা ফুলবাৰীলৈ আহি থকা অৱস্থাত এখন স্কুটী দুৰ্ঘটনাত পতিত হয়৷ ফলত এম্বুলেন্সৰ অভাৱত দুৰ্ঘটনাত পতিত লোকজনক ঠেলাত তুলি হাস্পতাললৈ নিবলগীয়া হয়৷ পথৰ ওপৰত দলং নথকাত এম্বুলেন্স আহিব নোৱাৰে৷ কিয়নো দলঙৰ ঠাইত জইচ পাৰি দি থোৱাই আছে৷ উল্লেখ্য যে, ২০১৪ চনতে অৰুণাচল প্ৰদেশৰ পৰা বৈ অহা পাভ নদীৰ বাঢ়নী পানীয়ে ছিগি নিছিল ফুলবাৰী ঢেকীয়াজুলি পথত থকা দুটাকৈ কালভাৰ্ট। বিগত ১০টা বছৰে এই কালভাৰ্ট দুটা নিৰ্মাণত ব্যৰ্থ জনপ্ৰতিনিধি। বিগত দহটা বছৰে মৰণকো শৰণ কৰি ৰাইজে বিপদশংকুল যাত্ৰা কৰি আহিছে৷ এই লোৰ জইচৰ পৰাই স্কুটীসহ নিশা লোকজন সৰি পৰি আঘাতপ্ৰাপ্ত হৈছিল৷ এনেকৈ এতিয়া পৰিৱৰ্তনৰ শ্ল'গান দিয়া বিজেপি দল আৰু চৰকাৰৰ প্ৰকৃত স্বৰূপ 'ঠেলা এম্বুলেন্সে' উদঙাই দিছে বুলি সচেতন মহলে মন্তব্য প্ৰকাশ কৰা দেখিবলৈ পোৱা গৈছে।

# যোগীৰ ৰাজ্যত কৃষকৰ আত্মজাহ, দেশজুৰি চাঞ্চল্য

## বন বিভাগে বলপূৰ্বক দখল কৰিছিল খেতিৰ মাটি




**মীৰাট, ৯ জানুৱাৰীঃ** বন বিভাগে অবৈধভাৱে ভূমি অধিগ্ৰহণ কৰাৰ পিছতে ক্ষোভ আৰু হতাশাত এছডিএম আদালতৰ চৌহদতে গাত পেট্ৰ'ল ঢালি আত্মহনন কৰিলে এগৰাকী দৰিদ্ৰ কৃষকে। উত্তৰ প্ৰদেশৰ মীৰাটত সংঘটিত এই ঘটনাই জোকাৰি গৈছে সমগ্ৰ দেশ। মীৰাটৰ মাৱানা তহচিলৰ আলিপুৰ মৰনা গাঁৱৰ নিৱাসী জগবীৰ গুৰ্জাৰ নামৰ এগৰাকী আদবয়সীয়া কৃষকে শনিবাৰে গাত পেট্ৰ'ল ঢালি নিজকে জ্বলাই দিয়ে। এই ঘটনাৰ পিছত সংকটজনক অৱস্থাত কৃষকগৰাকীক মীৰাটৰ এখন হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও দেওবাৰে চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু ঘটে। কৃষক জগবীৰ গুৰ্জাৰৰ পৰিয়ালৰ অভিযোগ অনুসৰি, বন বিভাগে তেওঁলোকৰ কৃষিভূমি অবৈধভাৱে দখল কৰি যোৱা ৪ জানুৱাৰীত সেই কৃষিভূমিৰ ঘেঁহু খেতি নষ্ট কৰিছিল। এই কাৰণতে ক্ষোভ আৰু হতাশাত কৃষকগৰাকীয়ে আত্মহত্যা কৰাৰ অভিযোগ কৰিছে পৰিয়ালে। অন্যহাতে মীৰাট জিলা বন বিষয়া ৰাজেশ কুমাৰে কয় যে গাঁওখনৰ কোনো লোকে মুখ্যমন্ত্ৰীৰ পৰ্টেলযোগে কৃষক জগবীৰ গুৰ্জাৰে চৰকাৰী ভূমি বেদখল কৰি থকাৰ অভিযোগ কৰিছিল। সেই অভিযোগ সন্দৰ্ভত তদন্ত কৰি বন বিভাগ আৰু ৰাজহ বিভাগৰ যুটীয়া দলে গাঁওখনত অভিযান চলাই সেই মাটিখিনি বেদখলমুক্ত কৰিছিল। কিন্তু জগবীৰ গুৰ্জাৰে কিয় আত্মহত্যা কৰিলে সেয়া তদন্তৰ বিষয় বুলি মন্তব্য কৰে বন বিষয়া ৰাজেশ কুমাৰে। ইফালে নিহত কৃষকগৰাকীৰ জ্যেষ্ঠ পুত্ৰ ৰাজকুমাৰ গুৰ্জাৰে কয় যে গাঁৱৰ পৰা প্ৰায় ৪ কিলোমিটাৰ দূৰৈত থকা ১০ বিঘা পৰিমাণৰ মাটিখিনি দেউতাকৰ জ্যেষ্ঠ দুই ভাতৃয়ে বিক্ৰী কৰিছিল। বিগত কেইবাবছৰৰ পৰা পিতৃয়ে তাতে খেতি কৰি আহিছিল। কিন্তু ৪ জানুৱাৰীত হঠাৎ বন বিভাগে সেই মাটিখিনি দখল কৰি তাত থকা শস্যবোৰো নষ্ট কৰি পেলায়। ইয়াৰ পিছত ৫ জানুৱাৰীত পিতৃয়ে মাৱানৰ এছডিএমৰ কাৰ্যালয়লৈ যায় যদিও তাৰ পৰা ঘূৰি অহাৰ পিছতে আত্মহত্যা কৰে। পৰিয়ালৰ লোকে জগবীৰ গুৰ্জাৰৰ মৃত্যুৰ বাবে আৰ্থিক ক্ষতিপূৰণৰ লগতে পৰিয়ালৰ এজন সদস্যক চৰকাৰী চাকৰি প্ৰদানৰ দাবী জনায়। কৃষকগৰাকীৰ আত্মহত্যা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মাৱানাৰ এছডিএম অখিলেশ যাদৱে কয়, "বন বিভাগ আৰু ৰাজহ বিভাগৰ যুটীয়া দলে বন বিভাগৰ মাটিৰ পৰা অবৈধ বেদখল আঁতৰাই আছে। যি মাটি জগবীৰে নিজৰ বুলি দাবী কৰি আছিল, সেই মাটিখিনি দৰাচলতে আছিল বন বিভাগ। যাৰ বাবে বন বিভাগে মাটিখিনি দখলমুক্ত কৰে।" গাঁৱৰ একাংশ লোকে জগবীৰক কিছুমান অনুপযুক্ত পদক্ষেপ ল'বলৈ উচটনি দিয়াৰ বাবেই কৃষকগৰাকীয়ে এনে পদক্ষেপ গ্ৰহণ কৰা বুলি মন্তব্য কৰে এছডিএমে। আনফালে জগবীৰ গুৰ্জাৰৰ মৃত্যুৰ পিছত ভাৰতীয় কিষাণ সংঘ সক্ৰিয় হৈ পৰিছে। সংগঠনটোৰ মীৰাট জিলাৰ সভাপতি অনুৰাগ চৌধুৰীয়ে কয়, "কৃষক জগবীৰ গুৰ্জাৰে পদক্ষেপ লোৱাৰ আঁৰত কি বাধ্যবাধকতা আছিল, ইয়াৰ তদন্ত হ'ব লাগে। মৃতকৰ পৰিয়ালক আৰ্থিক সাহায্য আৰু এজনক স্থায়ী সংস্থাপন প্ৰদান কৰিব লাগিব। আমি বিষয়াসকলক লগ কৰিছো, যদি ১০ দিনৰ ভিতৰত এই দিশত কোনো কাম কৰা নহয়, তেন্তে আমি ৰাজপথত আন্দোলন কৰিবলৈ বাধ্য হ'ম।" ভাৰতীয় কিষাণ ইউনিয়নৰ উপৰিও সমাজবাদী পাৰ্টি আৰু অন্যান্য দলৰ নেতাসকলেও জগবীৰৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰি ঘটনাক লৈ সমবেদনা জ্ঞাপন কৰিছে।

# মৰিগাঁৱত মৌ-মাখিৰ আতংক, এজন লোকৰ মৃত্যু

## কেইবাঘণ্টা ধৰি ঘৰত আৱদ্ধ হ'ল নাগৰিক

**ই-সংবাদ, মৰিগাঁও, ৯ জানুৱাৰীঃ** মৌ-মাখিৰ জাক এটাৰ বাবে হঠাতে নিমাওমাও পৰিৱেশৰ সৃষ্টি হয় মৰিগাঁও জিলাৰ সদৰ চহৰত। মৌ-মাখিৰ আতংকত কেইবা ঘণ্টা ধৰি ঘৰৰ ভিতৰত আৱদ্ধ হৈ পৰিল নাগৰিক। জিলা প্ৰশাসনে জৰুৰীকালীন ঘোষণা যোগে নাগৰিকক ঘৰত থকাৰ ফৰমান জাৰি কৰে। কিয়নো মধ্য অসমৰ মৰিগাঁও জিলাত মৌ-মাখিৰ আক্ৰমণত ৯ জানুৱাৰীৰ পুৱাই এগৰাকী লোকে প্ৰাণ হেৰুৱাই। মৰিগাঁও শ্বহীদ ভৱনৰ সন্মুখত এই অনাহুত কাণ্ড সংঘটিত হয়। লোকজনৰ নাম দীপক নন্দী (মধু) বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, সৰিয়হ ফুলামৰ সময়তে মৰিগাঁও শ্বহীদ ভৱনৰ আশ-পাশৰ গছ আৰু মানুহৰ ঘৰত বৰ মৌ-মাখিয়ে বাঁহ সাঁজিছে। ক'লা আৰু মুগা বৰণৰ মৌ মাখিয়ে বাঁহ সজাত প্ৰায়ে বিভিন্ন জন লোকক আক্ৰমণ কৰি আহিছে। তাৰ মাজতে ৯ জানুৱাৰীত পুৱাই মৰিগাঁৱত চাঞ্চল্যকৰ ঘটনাটো সংঘটিত হয়। মৌ-মাখিৰ জাক এটাই দীপক নন্দীক আক্ৰমণ কৰে। মৌ-মাখি জাকৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় দীপক নন্দী। কিছু সময় পাছতে দীপক নন্দীক মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও পৰীক্ষাৰ অন্তত চিকিৎসকসকলে মৃত ঘোষণা কৰে। কোৱালিটি নামৰ হোটেলখনৰ মালিক আছিল দীপক নন্দী। এই খবৰ প্ৰচাৰ হোৱাৰ পাছতে তীব্ৰ আতংকৰ সৃষ্টি হয়। এই ঘটনা সংঘটিত হোৱাৰ পাছতে মৰিগাঁও জিলা প্ৰশাসনে মৌৰ জাকটোক খেদিবলৈ বিভিন্ন এলেকাত জুই জ্বলোৱা পৰিলক্ষিত হয়। জিলা প্ৰশাসনে দীপক নন্দীৰ মৃত্যুৰ পাছতে মাইক যোগে জৰুৰীকালীন ঘোষণা দিয়ে। ঘোষণা যোগে মৰিগাঁও সদৰৰ জিলা আয়ুক্ত আৰু আৰক্ষী ভৱন এলেকা আৰু পৰিতৰা হাটৰ লগতে চহৰখনৰ কেইবাটাও এলেকাৰ লোকক ঘৰৰ পৰা ওলাবলৈ বাধা দি কয় যে মৌ-জাকক আতৰাই পঠাবলৈ ব্যৱস্থা গ্ৰহণ কৰি জুই জ্বলোৱা হ'ব। সেয়েহে নাগৰিক ঘৰৰ ভিতৰত থাকক।



# দেৰগাঁৱত ডেৰশ চকী লণ্ড-ভণ্ড জুবিন গাৰ্গৰ ফেনৰ

**ই-সংবাদ, গোলাঘাট, ৯ জানুৱাৰীঃ** ভয়াবহ পথ দুৰ্ঘটনাত ১২গৰাকীকৈ লোকে প্ৰাণ হেৰুওৱা দেৰগাঁৱত ৮ জানুৱাৰীৰ নিশা অনুষ্ঠিত হয় জুবিন গাৰ্গৰ বিশেষ সংগীতানুষ্ঠান। এই সংগীতানুষ্ঠানত জুবিন গাৰ্গৰ ফেনসকলে উদ্ভাগুলি কৰা পৰিলক্ষিত হয়। কেইবা হাজাৰ দৰ্শকক অনুষ্ঠান উপভোগত বাৰে বাৰে সমস্যাত পেলাইছিল জুবিন বলিয়া ফেনে। অনুষ্ঠানত বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হোৱাৰো অভিযোগ উত্থাপন হৈছে। জুবিন গাৰ্গে মঞ্চত গীত থকাৰ সময়ত জুবিনৰ সুৰাসক্ত ফেনে প্ৰায় ডেৰ শতাধিক চকী ভাঙি পেলাই। জুবিন ফেনৰ এনে কাণ্ডত দেৰগাঁৱত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। উল্লেখ্য যে, সৰ্বভাৰতীয় নৃত্য, নাট্য, লোক সংগীত মহোৎসৱ আৰু নৃত্যাঞ্জলি বঁটা-২০২৪ শীৰ্ষক অনুষ্ঠানকলৈ গোলাঘাট জিলাৰ দেৰগাঁৱত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হৈছিল। দেৰগাঁৱৰ নৱেন শৰ্মা স্মৃতি পথাৰত চলা এই অনুষ্ঠানৰ শেষৰ দিনটোত জুবিন গাৰ্গে সংগীতানুষ্ঠান পৰিৱেশন কৰিবলৈ আহিছিল। কিন্তু এই অনুষ্ঠানত জুবিন গাৰ্গৰ উদণ্ড অনুৰাগীৰ কাৰ্যকলাপক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# অসমত ৰাহুল গান্ধীৰ ঘনিষ্ঠ কে.চি বেণুগোপাল, কানহায়া কুমাৰ

## ■ আজাৰাত প্ৰদেশ কংগ্ৰেছৰ নেতাক দিলে যাত্ৰা সফল কৰাৰ মন্ত্ৰ

## ■ ন্যায় যাত্ৰা ৰাজনৈতিক নহয় বুলি দাবী

**ই-সংবাদ, ৯ জানুৱাৰীঃ** ১৪ জানুৱাৰীত মণিপুৰৰ পৰা আৰম্ভ হ'বলগীয়া কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো ন্যায় যাত্ৰা'ক লৈ তৎপৰতা বৃদ্ধি পাইছে অসম প্ৰদেশ কংগ্ৰেছৰ৷ বিগত কেইবাটাও দিন ধৰি এই যাত্ৰাক লৈ অসমত কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছে৷ ৯ জানুৱাৰীত পুনৰ সৰ্বভাৰতীয় নেতাই অসম ভ্ৰমণ কৰি অসমৰ মাজেৰে পাৰ হ'বলগীয়া যাত্ৰাৰ প্ৰস্তুতিৰ বুজ লয়৷ নিখিল ভাৰত কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক কে.চি বেণুগোপাল, অসম প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিং, সৰ্বভাৰতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক কানহায়া কুমাৰ, সহঃ তত্বাৱধায়ক পৃথ্বীৰাজ সাধে, বিকাশ উপাধ্যায়ে গুৱাহাটীত উপস্থিত হৈ গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়৷ গুৱাহাটীৰ আজাৰাস্থিত জ্যোতি ভৱনত 'ভাৰত জোড়ো ন্যায় যাত্ৰা'ৰ অসমৰ প্ৰস্তুতি সন্দৰ্ভত অনুষ্ঠিত বৈঠকত সৰ্বভাৰতীয় কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক কে.চি বেণুগোপালে এই যাত্ৰা ৰাজনৈতিক যাত্ৰা নহয় বুলি স্পষ্ট কৰে৷ কে.চি বেণুগোপালে এই যাত্ৰা হৈছে দেশৰ মানুহৰ ন্যায়ৰ যাত্ৰা বুলি উল্লেখ কৰি কয় যে এই যাত্ৰা নিবনুৱাক লৈ, এই যাত্ৰা বঞ্চিত কৃষককলৈ, এই যাত্ৰা বঞ্চিত মহিলাক লৈ৷ নিবনুৱা, কৃষক, মহিলাৰ বাবে এই ন্যায়ৰ যাত্ৰা৷ আজি সমগ্ৰ দেশত অন্যায় হৈছে৷ অন্যায় ৰোধ কৰিবলৈ এই যাত্ৰা হাতত লোৱা হৈছে৷ এই যাত্ৰা মণিপুৰৰ পৰা কিয় আৰম্ভ কৰা হ'ল এই প্ৰশ্ন উত্তৰ দি কে.চি বেণুগোপালে কয় যে মণিপুৰত আমাৰ মাথোঁ দুখনহে আসন আছে৷ ৰাজনীতি কৰিবৰ বাবে মণিপুৰত যাত্ৰা আৰম্ভ কৰাৰ বাবে বাচি লোৱা হোৱা নাই৷ হিংসা জৰ্জৰিত মণিপুৰৰ মানুহক ন্যায় প্ৰদান কৰিব লাগে৷ সেয়েহে মণিপুৰক নিৰ্বাচিত কৰা হৈছে৷ আনহাতে বিজেপিয়ে এই যাত্ৰা ব্যৰ্থ কৰিবলৈ প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন কৰি কে.চি বেণুগোপালে কয় যে এই যাত্ৰা কোনো কাৰণত বন্ধ কৰিব নোৱাৰে৷ মণিপুৰ, অসম আৰু সমগ্ৰ দেশৰ লোকে এই যাত্ৰাত অংশগ্ৰহণ কৰিব৷ এই যাত্ৰাক অসমৰ মানুহে কেনেদৰে আকোৱালি ল'ব সেয়া সময়তহে বিজেপিয়ে গম পাব বুলি কয় কে.চি বেণুগোপালে৷ আনহাতে কানাহায়া কুমাৰে এই যাত্ৰা লৈ অসম কংগ্ৰেছৰ নেতা-কৰ্মীক চিন্তিত নহ'বলৈ কয়৷ আপোনালোকে এই যাত্ৰাৰ শক্তিক বুজিবলৈ চেষ্টা কৰক৷ এই শক্তি হৈছে যোগাত্মক চিন্তা, প্ৰেমৰ শক্তি বুলি কৈ সমাজত ন্যায় স্থাপন কৰাৰ চিন্তা কৰিবলৈ কয় কানহায়াই৷ যাত্ৰাৰ পৰিবহন, যাতায়ত, প্ৰচাৰ আদিক লৈ চিন্তা কৰিব নালাগে৷ আপোনালোকে মেনেজমেণ্ট কৰিবৰ বাবে সাজু হওক৷ বৰষুণ হৈ আছে আপোনালোকৰ হাতত পানী জমা কৰা বাচন থাকিলেই হ'ল বুলি কৈ ইয়াৰ আগৰ ভাৰত জোড়ো যাত্ৰাৰ স্মৃতি ৰোমন্থন কৰি কানহায়াই কয় যে অনুমতি নাপাম, বৰষুণ হ'ব, প্ৰখৰ ৰদ এইসমূহ সময়ত নিৰৰ্থক হৈ পৰিব৷ আপোনোলেকে এটাই কথা ভাবক যে আপোনালোকৰ ৰাজ্যৰ মাজেৰে এই যাত্ৰা যাব৷ আপোনালোকে নিজৰ নিজৰ এলেকাৰ নতুন প্ৰজন্ম, যুৱক-যুৱতী, কৃষক, মহিলাক এই যাত্ৰাৰ বাৰ্তা কি সেই কথা বুজাওক বুলি কয় কানহায়া কুমাৰে৷ উল্লেখ্য যে, ৬ জানুৱাৰীত সৰ্বভাৰতীয় কংগ্ৰেছে নিযুক্তি দিয়া অসম কংগ্ৰেছৰ মিডিয়া সমন্বয়ক তথা উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মাহিমা সিঙে অসম ভ্ৰমণ কৰি ৰাহুল গান্ধীৰ যাত্ৰাক লৈ বৈঠক অনুষ্ঠিত কৰিছিল৷ এই যাত্ৰাত এনপিএছ ব্যৱস্থাক গুৰুত্ব দি অসমত পুৰণি পেন্সন ব্যৱস্থা বাহাল কৰা, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, নাগৰিকত্ব সংশোধনী আইনক গুৰুত্ব দিয়া হ'ব বুলি উল্লেখ কৰিছিল মহিমা সিঙে৷ ১৮-২৫ জানুৱাৰীলৈ ৰাহুল গান্ধীয়ে অসমত পদযাত্ৰা কৰিব৷ অসমৰ ১৭ জিলাক সংযোগ কৰিব এই যাত্ৰাই৷ অসমত এই যাত্ৰা সুচাৰুৰূপে পৰিচালনাৰ বাবে ২৫টা উপ-সমিতি গঠন কৰা হৈছে৷ এই সমিতিত কণ্ট্ৰোল ৰুম, ৰোড সমিতি, পৰিকল্পনা সমিতি, ৰাজহুৱা সভা সমিতি, পৰিবহন সমিতি, মিডিয়া সমিতি, প্ৰচাৰ সমিতি, ছ'চিয়েল মিডিয়া সমিতি আদি থাকিব৷ উল্লেখ্য যে এই যাত্ৰাক চৰকাৰে বাধা দিবলৈ চেষ্টা কৰাৰো অভিযোগ কৰা দেখা গৈছে কংগ্ৰেছক।

## সৰব্ অসম প্ৰদেশ কংগ্ৰেছ কমিটি

# ৰাহুল গান্ধীৰ যাত্ৰা ব্যৰ্থ কৰিবলৈ চৰকাৰে ষড়যন্ত্ৰ ৰচাৰ অভিযোগ!

**ই-সংবাদ, ৯ জানুৱাৰীঃ** ১৪ জানুৱাৰীত মণিপুৰৰৰ পৰা আৰম্ভ হ'বলগীয়া ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো ন্যায় যাত্ৰা' ১৮ জানুৱাৰীত অসমত প্ৰৱেশ কৰিব। ১৮ৰ পৰা ২৫ জানুৱাৰীলৈ ৰাহুল গান্ধীয়ে অসমত পদযাত্ৰা কৰিব। ১৮ জানুৱাৰীত মুৰ্কংচেলেক হৈ অসমত প্ৰৱেশ কৰি আমগুৰি, যোৰহাট হৈ মাজুলীত প্ৰৱেশ কৰিব। নদীদ্বীপ মাজুলীত নিশা কটাই ৰাইজৰ সৈতে মত-বিনিময় কৰাৰ লগতে ভাওনা উপভোগ কৰাৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰা হৈছিল। কিন্তু ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা শাসকীয় বিজেপি দল আৰু চৰকাৰে ব্যৰ্থ কৰিবলৈ অপচেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰিছে প্ৰদেশ কংগ্ৰেছে। এই অভিযোগ উত্থাপন কৰি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈছে প্ৰদেশ কংগ্ৰেছ। গান্ধীক মাজুলী প্ৰৱেশত বাধা দি বাহনৰ সৰবৰাহত অনুমতি প্ৰদান নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। মাজুলীলৈ ৰাহুল গান্ধীৰ সৈতে যাবলগীয়া গাড়ীসমূহ পাৰ কৰিবলৈ জাহাজৰ প্ৰয়োজন হ'ব। কিন্তু জাহাজ বিকল হৈ থকাৰ গইনা লৈ ৰাহুল গান্ধীৰ সৈতে থকা বাহন পাৰ কৰাত বাধা দিব খোজাৰ অভিযোগ উঠিছে। লগতে ফেৰীৰ ঘাট সলনি কৰাৰ অভিযোগ উত্থাপন হৈছে। আনহাতে, সোঁৱণশিৰি কলেজত ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ কথা আছিল। কিন্তু সেই অনুমতি বাতিল কৰাৰো অভিযোগ উঠিছে। ৰাহুল গান্ধীৰ যাত্ৰা লখিমপুৰত প্ৰৱেশৰ সময়ত ৰাজ্যিক কেবিনেট অনুষ্ঠিত কৰিব খুজি যাত্ৰাত বাধা দিব খোজা বুলি কয় অসম প্ৰদেশ কংগ্ৰেছে। প্ৰদেশ কংগ্ৰেছৰ সূত্ৰই দাবী কৰিছে যে ৰাহুল গান্ধীৰ উত্তৰ-পূৰ্বাঞ্চল আগমনত ভয় খাইছে বিজেপিয়ে। ৩ মে'ৰ পাছৰে পৰা মণিপুৰ জ্বলি আছে যদিও মণিপুৰ যাবলৈ সময় নোপোৱা বিজেপিৰ কেন্দ্ৰীয় নেতাই অসম ভ্ৰমণ আৰম্ভ কৰিছে। তাৰ কাৰণ হৈছে ৰাহুল গান্ধীৰ যাত্ৰাক লৈ শংকিত হৈছে বিজেপি। উল্লেখ্য যে, ৰাহুল গান্ধীয়ে মাজুলীত নৈশ যাপন কৰি বিশ্বৰ নদীদ্বীপ মাজুলীৰ পৰা ঢকুৱাখনা, গোগামুখ হৈ লখিমপুৰলৈ যাত্ৰা কৰাৰ কথা আছিল।

# শোণিতপুৰ জিলাত আজিৰে পৰা গুণোৎসৱ আৰম্ভ

**ই-সংবাদ, তেজপুৰ, ৯ জানুৱাৰীঃ** ৰাজ্যৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আজিৰে পৰা আৰম্ভ হৈছে। দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ শোণিতপুৰ জিলাতো স্ব-মূল্যায়নৰে আৰম্ভ হৈছে। তেজপুৰ চিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ত বন্তি প্ৰজ্বলন কৰি শোণিতপুৰ জিলাৰ গুণোৎসৱৰ শুভাৰম্ভ কৰে শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত কবিতা কোঁৱৰ কাকতিয়ে। এই অনুষ্ঠানত উপস্থিত থাকে জিলাৰ গুণোৎসৱৰ নডেল বিষয়া মনোজ গোঁহাই। শোণিতপুৰ জিলাৰ গুণোৎসৱৰ শুভাৰম্ভ কৰি কবিতা কোঁৱৰে কয় যে জিলাখনৰ মুঠ ১,১০৫ খন বিদ্যালয়ত আজিৰ পৰা স্ব-মূল্যায়ন আৰম্ভ হৈছে। এই স্ব-মূল্যায়নত জিলাখনৰ মুঠ ১,৩১,২০৭গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ'ব। আজি প্ৰথম দিনটোত বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়ত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ পঠন আৰু লিখনৰ পৰীক্ষা কৰিব। প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা গুণোৎসৱৰ স্ব-মূল্যায়নৰ বাবে ৫৫৮গৰাকী পৰিদৰ্শক নিয়োগ কৰা হৈছে। গুণোৎসৱৰ এই কাৰ্যসূচীত কলেজৰ অধ্যাপক, জ্যেষ্ঠ বিষয়াৰ লগতে উপায়ুক্ত, সমষ্টিৰ বিধায়কো থাকিব। শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত বিষয়াগৰাকীয়ে লগতে আশা কৰে যে এইবাৰ গুণোৎসৱত শোণিতপুৰ জিলাই ভাল ফলাফল দেখুৱাব। উল্লেখ্য যে বিগত বৰ্ষসমূহতো গুণোৎসৱত শোণিতপুৰ জিলাৰ বিদ্যালয়সমূহে ভাল আৰু উন্নত প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হৈছিল।

# ‘এছপি-ডিএছপিৰ ভুলৰ বাবে মোৰ স্বামীৰ মৃত্যু হ’ল’

## কুশল কলিতাৰ পত্নীৰ মন্তব্যই জোকাৰিছে ৰাজ্য

**ই-সংবাদ, ৯ জানুৱাৰীঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আৰক্ষী অধীক্ষক হৰেণ টকবী আৰু ডিএছপি চন্দ্ৰ কুমাৰ কলিতাৰ নেতৃত্বত ইঞ্জিন চালিত এখন নাৱেৰে আৰক্ষীৰ এটা দলে ফকিৰগঞ্জ থানাৰ পৰা বন্দিহানা থানালৈ গৈ থকাৰ অৱস্থাত ব্ৰহ্মপুত্ৰৰ বুকুত পৰি গৈছিল কুশল কলিতা নামৰ আৰক্ষীৰ জোৱানজন৷ ৰাইফল আৰু মেগজিনসহ নাৱৰ পৰা পিছলি পৰা কুশল কলিতাক সতীৰ্থসকলে উদ্ধাৰৰ চেষ্টা নকৰাৰ অভিযোগ উত্থাপন হৈছে। বৰঞ্চ সতীৰ্থই ভিডিঅ' কৰাতহে ব্যস্ত থাকিল বুলি অভিযোগ উঠিছে। সাঁতুৰি নিজৰ প্ৰাণ বচোৱাৰ আপ্ৰাণ চেষ্টা কৰিও অৱশেষত মৃত্যুৰ ওচৰত হাৰ মানে জোৱান কুশল কলিতাই। এই অবাঞ্চিত ঘটনাৰ পাছতে কুশল কলিতাৰ ঘৰত শোকাকুল পৰিস্থিতিয়ে বিৰাজ কৰিছে। জোৱান কুশল কলিতাৰ মাতৃয়ে একমাত্ৰ সন্তানক অকালতে হেৰুৱাই হিয়া ঢাকুৰি-ঢাকুৰি কান্দি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে৷ মাতৃয়ে অভিযোগ উত্থাপন কৰি কয় যে দক্ষিণ শালমাৰা জিলাৰ আৰক্ষী অধীক্ষক আৰু উপ-আৰক্ষী অধীক্ষকৰ ভুলৰ বাবে মৃত্যু হৈছে মোৰ পুত্ৰৰ৷ তেওঁলোক মোৰ সন্তানৰ মৃত্যুৰ বাবে সম্পূৰ্ণ দায়ী৷ গতিকে নাৱত সেইসময়ত উপস্থিত থকা দুয়োজন শীৰ্ষ বিষয়াৰ উপযুক্ত শাস্তি লাগে মোক৷ আনফালে মাত্ৰ ডেৰ বছৰীয়া পুত্ৰ সন্তানক কোলাত লৈ কান্দি কান্দি কুশল কলিতাৰ দুৰ্ভগীয়া পত্নীয়ে একেই অভিযোগ উত্থাপন কৰে৷ পত্নীয়ে কয় মোৰ স্বামীৰ মৃত্যুক মই কেতিয়াও সহজভাৱে মানি ল'ব নোৱাৰো৷ দক্ষিণ শালমাৰাৰ আৰক্ষী অধীক্ষক আৰু উপ-আৰক্ষী অধীক্ষকৰ ভুলৰ বাবেই মৃত্যু হ'ল মোৰ স্বামীৰ৷ যদি আৰক্ষীৰ ওচৰতে আৰক্ষীৰ নিৰাপত্তা নাই, তেন্তে সাধাৰণ জনতাক আৰক্ষীয়ে কিদৰে নিৰাপত্তা দিব? এই ঘটনাৰ উচিত তদন্তৰ জৰিয়তে এই সমগ্ৰ ঘটনাটোত মই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ বিচাৰো৷ কেৱল মাতৃ, পত্নীয়ে এনে অভিযোগ উত্থাপন কৰিছে তেনে নহয়৷ দুৰ্ঘটনাৰ সময়ৰ ভাইৰেল ভিডিঅ’ প্ৰত্যক্ষ কৰি সমগ্ৰ অসমে আৰক্ষী অধীক্ষক আৰু উপ-আৰক্ষী অধীক্ষকৰ ভূমিকাক তীব্ৰ সমালোচনা কৰিছে৷ দুই শীৰ্ষ আৰক্ষী বিষয়া থকাৰ পিছতো কিয় সাৱধানতা অৱলম্বন কৰা নহ'ল? নাওখনত থকা কোনো এজনে কিয় পৰিধান কৰা নাছিল লাইফ জেকেট? কিয় কুশল কলিতাক উদ্ধাৰৰ সলনি ভিডিঅ’ কৰাত ব্যস্ত থাকিল সতীৰ্থ? সেইদিনা সংঘটিত উক্ত ঘটনাৰ পিছতে এতিয়া এনে বহু প্ৰশ্নই জোকাৰি গৈছে সমগ্ৰ ৰাজ্যবাসীক।

# মৰিয়নিত ১০০ বছৰে বসবাস কৰা একাধিক পৰিয়ালক কৰিব উচ্ছেদ

**ই-সংবাদ, ৯ জানুৱাৰীঃ** যোৰহাট জিলাৰ মৰিয়নিত স্বাধীনতাৰ পূৰ্বৰে পৰা ৰে’ল কলনীত বসবাস কৰি থকা পৰিয়ালক আগতীয়া জাননী অবিহনে উচ্ছেদ কৰিব খোজাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে৷ আগতীয়া জাননী নিদিয়াকৈ ভাৰতীয় ৰে’ল বিভাগে উচ্ছেদ অভিযান চলাবলৈ সাজু হৈছে। দৰিদ্ৰ লোকসকলে প্ৰায় ১০০ বছৰ ধৰি বাস কৰি থকা বুলি দাবী কৰিছে পৰিয়ালসমূহে৷ জানিব পৰা মতে, মৰিয়নি পৌৰসভাৰ ৪নং ৱাৰ্ডৰ আম্বেদকাৰ কলনীত উচ্ছেদ কৰিবলৈ ৰে’লৰৈ কৰ্তৃপক্ষ সাজু হোৱাত বহু প্ৰশ্ন উত্থাপন হৈছে৷ উচ্ছেদ কৰাৰ পাছত এশ বছৰ ধৰি বসবাস কৰি থকা লোকসকল ক’লৈ যাব তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে৷ ৰে’লৰৈয়ে কোনো আগতীয়া জাননী তথা পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ ঘৰ খালী কৰি নোৱাৰা বুলি স্পষ্ট কৰিছে পৰিয়ালসমূহে। আম্বেদকাৰ কলনীৰ লোকসকলে দাবী কৰি কয় যে চৰকাৰে ব্যৱস্থাৰ মাজেৰে ঘৰ নিৰ্মাণৰ বাবে ভূমি আৱণ্টন আৰু সাহায্য প্ৰদান কৰিলেহে স্থানান্তৰিত হম৷ চৰকাৰে তেনে কৰিলেহে স্ব-ইচ্ছাই ভূমি এৰি দিবলৈ আমি প্ৰস্তুত৷ অন্যথা সকলোৱে ৰে’লপথত নিজৰ জীৱন দিবলৈকে সাজু বুলি কৈ কয় যে কোনো জনপ্ৰতিনিধি আমাৰ সৈতে নাই৷ নিৰ্বাচনৰ সময়তহে আমাক প্ৰয়োজন হয়৷ চৰকাৰে ভূমি আৱণ্টন নিদিয়ালৈকে স্থানান্তৰ নহও বুলি স্পষ্ট কৰে।



শেষ পৃষ্ঠা

# ক্ৰীড়া সন্মান প্ৰদান


**নতুন দিল্লী, ৯ জানুৱাৰীঃ** আজি নতুন দিল্লীত এক বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰুপদী মুৰ্মুয়ে বিগত বছৰটোত উন্নত প্ৰদৰ্শন আগবঢ়োৱা খেলুৱৈ সকলক ৰাষ্ট্ৰীয় ক্ৰীড়া সন্মান প্ৰদান কৰে। সাধাৰণতে এই বঁটা প্ৰদান অনুষ্ঠানটো ২৯ আগষ্টৰ দিনা মেজৰ ধ্যানচান্দৰ জন্ম দিনত দিয়া হয়। যোৱা বছৰ এছিয়ান গেমছৰ বাবে তেতিয়া এই পুৰস্কাৰ প্ৰদান কৰা হোৱা নাছিল। এইবাৰ ২৬ গৰাকী এথলেট আৰু পেৰা এথলেটে অৰ্জুন বঁটা লাভ কৰে। এই সকলৰ ভিতৰত ১৯ বছৰীয়া শুটাৰ ঈছা সিং অনুষ্ঠানত উপস্থিত নাছিল। তেওঁ জাকাৰ্টাত এছিয়ান কোৱালিফাইং প্ৰতিযোগিতাত ভাগ লৈ আছে। তাতে তেওঁ পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে।

## মালয়েছিয়ান অপেন

# ছাত্বিক, চিৰাগৰ সমুখত প্ৰত্যাহ্বান

**কুৱালালামপুৰ, ৯ জানুৱাৰীঃ** কাইলৈৰ পৰা আৰম্ভ হ'ব লগীয়া মালয়েছিয়া অপেন ছুপাৰ ১০০০ বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰথমখন মেছত কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব ভাৰতৰ তাৰকা যুটি ছাত্বিকচাইৰাজ ৰংকাৰেড্ডী আৰু চিৰাগ চেট্টীয়ে। বৰ্তমান বিশ্ব ৰেংকিঙৰ দ্বিতীয় স্থানত থকা যুটিটোৱে যোৱা বছৰ এছিয়ান গেমছত সোণৰ পদক জয় কৰাৰ লগতে বিশ্ব ৰেংকৰ শীৰ্ষস্থান দখল কৰিছিল। পেৰিছ অলিম্পিকলৈ নিৰ্বাচিত হোৱাৰ লক্ষ্যৰে ইয়াৰ ক'টত নামিব লগীয়া যুটিটোৱে ইন্দোনেছিয়াৰ মহম্মদ ছহিবুল ফিক্ৰী আৰু বাগাছ মৌলানাৰ বিৰুদ্ধে প্ৰথম মেছ খেলিব। ক'টত ছাত-চি হিচাপে পৰিচিত ভাৰতীয় খেলুৱৈদ্বয়ে বিগত বৰ্ষৰ মালয়েছিয়ান অপেনত মুখামুখি হৈছিল। সেইবাৰ ভাৰতীয় দলটো জয়ী হৈছিল।

# পাক হেকাৰৰ টাৰ্গেট মুখ্যমন্ত্ৰীৰ ফেচবুক পেজ!




**ই-সংবাদ, ৯ জানুৱাৰীঃ** চিৰ শত্ৰু পাকিস্তানৰ হেকাৰে মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাৰ ফেচবুকৰ পেজ হেক কৰিবৰ বাবে প্ৰয়াস কৰাৰ অভিযোগ উঠিছে৷ এই কথা খোদ প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই৷ মুখ্যমন্ত্ৰী ডও শৰ্মাই আৰক্ষী সঞ্চালক প্ৰধানক টেগ কৰি এক্সত দিয়া এটা পোষ্টত কয় 'আজি সন্ধিয়া অজ্ঞাত হেকাৰে মোৰ ফেচবুক একাউণ্ট হেক কৰাৰ চেষ্টা চলাইছিল। প্ৰাথমিক তথ্য মতে, হেকাৰ পাকিস্তানৰ পৰা সক্ৰিয় থাকিব পাৰে৷' মুখ্যমন্ত্ৰীৰ অভিযোগৰ পাছতে অসম আৰক্ষীয়ে তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে৷

# ৫৫ বছৰ বয়সতে জীৱন নাট সামৰিলে ওস্তাদ ৰছিদ খানে

**অনলাইন ফিচাৰ্ছ, ৯ জানুৱাৰীঃ** ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ অন্যতম হোতা ওস্তাদ ৰছিদ খানৰ পশ্চিমবংগৰ কলকাতাত দেহাৱসান ঘটিছে৷ ৫৫ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰিছে ওস্তাদ ৰছিদ খানে৷ প্ৰষ্টেট কৰ্কট ৰোগত আক্ৰান্ত ওস্তাদ ৰছিদ খানক দক্ষিণ কলকাতাৰ এখন চিকিৎসালয়ত ২২ নৱেম্বৰত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসাৰ মাজতে মস্তিষ্কৰ ৰক্তক্ষৰণ (ষ্ট্ৰোক) হোৱাত পৰিস্থিতিৰ অধিক অৱনতি ঘটে। মঙলবাৰে আবেলি ৩:৪৫ বজাত মৃত্যুবৰণ কৰে। ইহসংসাৰত পত্নী, দুই কন্যা আৰু এজন পুত্ৰক এৰি থৈ যায়। ১৯৬৮ চনৰ ১ জুলাইত উত্তৰ প্ৰদেশৰ বাদাউনত ৰছিদৰ জন্ম হৈছিল। ইনায়াত হুছেইন খান-চাহিবে প্ৰতিষ্ঠা কৰা ৰামপুৰ-সাহৱান ঘৰানাৰ এজন শিল্পী আছিল। ডেকা কালতে ককাক ওস্তাদ নিছাৰ হুছেইন খান-চাহিবৰ অধীনত সংগীতৰ প্ৰশিক্ষণ লৈছিল৷ গোৱালিয়ৰ ঘৰানাৰ মোমাক ওস্তাদ গোলাম মুস্তাফা খান চাহিবৰ পৰাও প্ৰশিক্ষণ লৈছিল। মুখ্যতঃ শাস্ত্ৰীয় সংগীত, ফিউজন, বলিউদ আৰু টলিউদৰ চলচ্চিত্ৰত গান গাইছিল। ৰছিদ খানে ১০-১১ বছৰ বয়সত কলকাতালৈ আহিছিল। বংগত বসতি কৰি সংগীতৰ সাধনা কৰি গৈছিল৷ বংগৰ পৰাই সংগীত নাটক একাডেমী বঁটা, পদ্মভূষণ আৰু বংগ বিভূষণ বঁটা লাভ কৰিছে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী মঙলবাৰে আবেলি চিকিৎসালয়ত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লৈছিল। কলকাতাৰ মেয়ৰ ফিৰহাদ হাকিম, কলকাতাৰ আৰক্ষী আয়ুক্ত বিনীত গোৱেল, ৰাজ্যিক মন্ত্ৰী অৰূপ বিশ্বাস আৰু গায়ক ইন্দ্ৰনিল সেনও স্বাস্থ্যৰ বুজ লৈছিল। মৃত্যুৰ পাছতে মুখ্যমন্ত্ৰী মমতাই কয় যে ৰছিদ মোৰ ভাতৃৰ দৰে। তেওঁ বিশ্ববিখ্যাত আছিল। তেওঁ বেংগলক ভাল পাইছিল আৰু বংগতে আছিল। তেওঁ সংগীতৰ প্ৰচাৰৰ বাবে পৃথিৱীৰ সকলো প্ৰান্তলৈ গৈছিল। মমতাই কৈছিল যে তেওঁ দুখি অনুভৱ কৰিছে যে সেই ৰছিদে গোৱা গান শুনিব নাপাম। ৯ জানুৱাৰীৰ নিশালৈ ৰছিদৰ মৃতদেহ চিকিৎসালয়ত ৰখা হৈছে। নিশাই ৰছিদৰ মৃতদেহ পিচ ৱৰ্ল্ডলৈ লৈ যোৱা হয়। পিচ ৱৰ্ল্ডলতে ৰখা হ'ব ৰছিদৰ নশ্বৰ দেহ। ১০ জানুৱাৰীৰ পুৱা ৯.৩০ বজাত ৰবীন্দ্ৰ সদনলৈ লৈ যোৱা হ'ব। ৰবীন্দ্ৰ সদনত অগণন অনুৰাগীয়ে শেষ শ্ৰদ্ধা জনাব পাৰিব। ১০ জানুৱাৰীত টলিগঞ্জস্থিত কৱৰস্থানত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান